Text Composed on Phototypesetter and Printed by Offset Process at
the Assam Government Press, Guwahati-21.

# বাজেট বক্তৃতা

## ১৯৮৮-৮৯

২৫ মাৰ্চ, ১৯৮৮

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত**

মুখ্যমন্ত্ৰী, অসম

অধ্যক্ষ মহোদয়,

মই ১৯৮৮-৮৯ বছৰটোৰ বাবে অসম চৰকাৰৰ বাজেট সদনত দাঙি ধৰিব খুজিছোঁ।

২। অসম গণ পৰিষদ চৰকাৰে কাৰ্য্যকালৰ দুবছৰ সম্পূৰ্ণ কৰিছে। দুবছৰৰ আগতে ৰাজ্যখনৰ শাসনভাৰ হাতত লোৱা সময়ত আমি অসমৰ জনগণৰ পবিত্ৰ সেৱা কাৰ্য্যত নিজকে উৎসৰ্গা কৰাৰ সংকল্প লৈছিলো। আমাৰ জনগণৰ আশা-আকাংখা পূৰণৰ অৰ্থে সেই কামত অবিচল হৈ থকাটোৱেই আমাৰ আন্তৰিক প্ৰচেষ্টা হ'ব। অৱশ্যে, অসম চুক্তি সম্পূৰ্ণকৈ ৰূপায়ণ কৰাটোত আমি সৰ্বাধিক গুৰুত্ব দিম।

৩। বিগত বছৰৰ দৰে চলিত বছৰতো ৰাজ্যখনে যথেষ্ট পৰিমাণে অৰ্থনৈতিক হেচাৰ সন্মুখীন হবলগীয়া হয়। উপৰ্য্যুপৰি হোৱা কেইবাটাও বানপানীৰ ফলত জনসাধাৰণে যথেষ্ট দুখ-কষ্টৰ সন্মুখীন হবলগীয়া হয় আৰু ৰাজ্যখনৰ অৰ্থনৈতিক দিশতো প্ৰচুৰ ক্ষতি সাধন হয়। শস্য পথাৰ আৰু উৎপাদনৰ ক্ষেত্ৰত হোৱা ক্ষয়-ক্ষতি অতি ব্যাপক আছিল। জনসাধাৰণৰ দৃঢ় মনোবল আৰু ৰাজ্য চৰকাৰৰ যৎপৰোনাস্তি চেষ্টাৰ ফলত আমি অবিচলিত সাহসেৰে এই দুৰ্য্যোগৰ সন্মুখীন হবলৈ সমৰ্থ হওঁ।

৪। মই ১৯৮৮-৮৯ চনৰ গোটেই বছৰটোৰ বাবে বাজেট উৎথাপন কৰিবলৈ বিচাৰিছো। তদুপৰি ১৯৮৮-৮৯ চনৰ সম্পূৰ্ণ বাজেটৰ বিবেচনা আৰু অনুমোদন হোৱাৰ আগতেই ১৯৮৮ চনৰ এপ্ৰিলৰ পৰা জুন মাহলৈ এই তিনিমাহৰ কাৰণে লেখা-অনুদানো (Vote-on-account) বিচাৰিছো। উল্লেখযোগ্য যে পৰিকল্পনা আয়োগে ১৯৮৮-৮৯ চনৰ ৰাজ্যিক বাৰ্ষিক পৰিকল্পনা পলমকৈ চূড়ান্ত কৰা হেতুকেই আগতীয়াকৈ বাজেট উৎথাপন কৰিব পৰা নহল।

৫। বাজেট প্ৰস্তাৱলৈ যোৱাৰ আগতে ৰাজ্যখনৰ সাধাৰণ অৰ্থনৈতিক অৱস্থাৰ বিষয়ে মই এটি চমু আভাস দাঙি ধৰিব খুজিছোঁ।

ৰাজ্যিক আয়

৬। দ্ৰুত হিচাপ অনুসৰি ১৯৮৬-৮৭ চনৰ বছৰটোত ৰাজ্যৰ প্ৰকৃত ঘৰুৱা উৎপাদন চলিত মূল্যৰ হিচাপত ১০·১ শতাংশ বৃদ্ধি পাইছে। এই বৃদ্ধিৰ পৰিমাণ হ'ল ১৯৮৫-৮৬ চনৰ সাম্প্ৰতিক ৪৭৭৭·৩ কোটি টকাৰ

পৰা ১৯৮৬-৮৭ চনৰ বছৰত দ্ৰুত হিচাপত ৫২৫৯·২ কোটি টকা। ১৯৭০-৭১ চনৰ স্থিৰ মূল্যৰ হিচাপত ৰাজ্যিক ঘৰুৱা উৎপাদন ১৯৮৫-৮৬ চনৰ সাম্প্ৰতিক হিচাপৰ ১৩৯৩·৯ কোটি টকাৰ পৰা ১৯৮৬-৮৭ চনৰ বছৰত দ্ৰুত হিচাপত ১৪৪৩·৪ কোটি টকালৈ বৃদ্ধি পায় অৰ্থ্যাৎ এই বৃদ্ধিৰ পৰিমাণ হ'ল ৩·৬ শতাংশ। চলিত মূল্যৰ হিচাপত ৰাজ্যৰ জনমূৰি ঘৰুৱা উৎপাদন ১৯৮৫-৮৬ চনৰ সাম্প্ৰতিক হিচাপৰ ২০৬৮·৪ টকাৰ পৰা ১৯৮৬-৮৭ চনৰ বছৰটোৰ দ্ৰুত হিচাপত ২২০৪·৩ টকালৈ বৃদ্ধি পায় অৰ্থাৎ বছৰটোৰ এই বৃদ্ধিৰ হাৰ হ'ল ৬·৬ শতাংশ। স্থিৰ মূল্যৰ হিচাপত ৰাজ্যৰ জনমূৰি প্ৰকৃত ঘৰুৱা উৎপাদন ১৯৮৫-৮৬ চনৰ সাম্প্ৰতিক হিচাপৰ ৬০৩·৫ টকাৰ পৰা ১৯৮৬-৮৭ চনৰ বছৰটোত দ্ৰুত হিচাপত ৬০৫·০ টকালৈ বৃদ্ধি পায়।

মূল্য পৰিস্থিতি

৭। মূল্যৰ উৰ্দ্ধগামী গতি এক সৰ্বভাৰতীয় সমস্যা আৰু ১৯৮৭-৮৮ৰ বছৰটোত হোৱা মূল্য বৃদ্ধি প্ৰৱণতাৰ অসমো ব্যতিক্ৰম নহয়। ১৯৮৭ৰ প্ৰথম ৯ মাহলৈকে পোৱা পৰিসংখ্যা অনুসৰি ৰাজ্যখনৰ গড় হিচাপত সাধাৰণ পাইকাৰী মূল্যসূচী ১৯৮৬ৰ ওপৰোক্ত একে সময়ছোৱাৰ তুলনাত ১·৫ শতাংশ বৃদ্ধি পায়। ইয়াৰ তুলনাত ১৯৮৫ চনতকৈ ১৯৮৬ চনত বাৰ্ষিক মূল্যসূচী গড়ে ৫·৯ শতাংশলৈ বৃদ্ধি পায়। ১৯৮৭ চনৰ প্ৰথম ৮ মাহত শ্ৰমিক শ্ৰেণীৰ ক্ষেত্ৰত গ্ৰাহক মূল্য সূচী (ভিত্তি ১৯৪৯=১০০) ১৯৮৬ চনৰ একে সময়ছোৱাৰ তুলনাত ৯·১ শতাংশ বৃদ্ধি পায়। ইয়াৰ বিপৰীতে ১৯৮৫ চনৰ তুলনাত ১৯৮৬ চনত এই বাৰ্ষিক বৃদ্ধি গড় হিচাপত সামান্য হ্ৰাস (৭·৯ শতাংশ) পায়। মূল্যবৃদ্ধি প্ৰতিৰোধ কৰাৰ বাবে চৰকাৰে ৰাজহুৱা বিতৰণ পদ্ধতিৰ জৰিয়তে অত্যাৱশ্যকীয় সামগ্ৰী বিতৰণৰ ব্যৱস্থা গ্ৰহণ কৰি গ্ৰাহকক কিছু সকাহ দিয়ে।

কৃষি

৮। বছৰটোত এটাৰ পিছত এটাকৈ হোৱা বানপানীয়ে কৃষিৰ ক্ষেত্ৰত গুৰুতৰ দুৰ্যোগৰ সৃষ্টি কৰে। অৱশ্যে বান আক্ৰান্ত অঞ্চলত ৰবি শস্য আঁচনিৰ জৰিয়তে লোৱা ব্যাপক ব্যৱস্থাই কিছু সুফল দিয়ে। চলিত বছৰত শৰৎকালীন ধানৰ উৎপাদন কিছু বৃদ্ধি পোৱা পৰিলক্ষিত হয় আৰু শীতকালীন ধানৰ উৎপাদনো আগৰ বছৰৰ তুলনাত সন্তোষজনক হব বুলি আশা কৰা হৈছে। ১৯৮৭-৮৮ চনৰ বছৰটোত শৰৎকালীন ধানৰ উৎপাদন পৰিমাণ ১৯৮৬-৮৭ চনৰ ৩·৩৫ লাখ টনৰ বিপৰীতে ৪·১৪ লাখ টন হব বুলি অনুমান কৰা হৈছে। বছৰটোত ৰবি শস্যৰ উৎপাদনো সন্তোষজনক হ'ব বুলি আশা কৰা হৈছে। অৱশ্যে মৰাপাটৰ উৎপাদন ১৯৮৬-৮৭ চনত হোৱা ৯·৫১ লাখ গাঁঠিৰ ঠাইত ১৯৮৭-৮৮ চনৰ বছৰত ৮·৮২ লাখ গাঁঠিলৈ হ্ৰাস পায়। আন হাতে মেষ্টাৰ (Mesta) উৎপাদন ১৯৮৬-৮৭ চনৰ ৪৩·৬৬ হাজাৰ গাঁঠিৰ বিপৰীতে ১৯৮৭-৮৮ চনত ৪৪·০৮ হাজাৰ গাঁঠিলৈ

বৃদ্ধি পায়। মাহজাতীয় শস্য আৰু তৈলবীজৰ উৎপাদন বৃদ্ধিৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। ১৯৮৬-৮৭ চনৰ বছৰত মাহজাতীয় শস্য আৰু তৈলবীজৰ সামগ্ৰিক উৎপাদনৰ পৰিমাণ আছিল ক্ৰমে ৬০ হেজাৰ আৰু ১৬৫ হেজাৰ টন। উৎপাদনৰ ক্ষেত্ৰত উল্লেখযোগ্য সফলতা লাভ কৰাৰ উদ্দেশ্যে অসমৰ ১৩ খন জিলাক ৰাষ্ট্ৰীয় তৈলবীজ উন্নয়ন আঁচনিৰ অন্তৰ্ভুক্ত কৰা হৈছে।

**উদ্যোগ, খনি আৰু খনিজ-সম্পদ**

৯। ১৯৮৭ চনৰ বছৰটোত উদ্যোগ আৰু খনিজ দ্ৰব্যৰ খণ্ডত ৰাজ্যখনৰ সামগ্ৰিক উৎপাদন পৰিস্থিতি প্ৰায় সন্তোষজনক আছিল বুলিয়েই কব পাৰি। ১৯৮৭ চনৰ প্ৰথম ৯ মাহৰ পৰিসংখ্যাৰ পৰা দেখা যায় যে চাহ-পাত, সাৰ, চেনি, পেট্ৰোলিয়াম সামগ্ৰী, চিমেণ্ট, মৰাপাট, বস্ত্ৰশিল্প, জুইশলা, কয়লা আৰু প্ৰাকৃতিক গেছ আদিৰ দৰে ঔদ্যোগিক আৰু খনিজসামগ্ৰীৰ উৎপাদন সন্তোষজনক আছিল। অৱশ্যে এই সময়ছোৱাত প্লাইউড আৰু পেট্ৰোলিয়ামৰ (খাৰুৱা তেল) উৎপাদন কিছু হ্ৰাস পোৱা দেখা যায়।

ৰাজ্য চৰকাৰৰ ১৯৮৬ চনৰ ঔদ্যোগিক নীতি অনুসৰি চৰকাৰে স্থানীয় উদ্যোগীৰ জৰিয়তে গ্ৰাম্য, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ স্থাপনত অধিকতৰ অগ্ৰাধিকাৰ দিছে। সম্ভাৱনাপূৰ্ণ উদ্যোগীক চিনাক্ত কৰা আৰু অনুপ্ৰাণিত কৰাৰ উদ্দেশ্যে চৰকাৰে ৰাজ্যৰ আটাইকেইখন জিলা আৰু মহকুমা সদৰত ঔদ্যোগিক অভিযান তথা কৰ্মশালাৰ আয়োজন কৰিছে। অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ উদ্যোগীৰ বাবেও সুকীয়াকৈ এনে অভিযানৰ আয়োজন কৰিবলৈ চৰকাৰে প্ৰস্তাৱ কৰিছে। হস্তশিল্প খণ্ড, ক্ষুদ্ৰ আয়তনৰ গোট আৰু এছ-ই-ই-ইউ-আইৰ অধীনত গ্ৰহণ কৰা বিভিন্ন আঁচনিয়ে ১৯৮৮-৮৯ চনৰ বছৰটোত প্ৰায় ৩৫ হেজাৰ লোকক কৰ্ম সংস্থানৰ সুবিধা আগবঢ়াব বুলি আশা কৰা হৈছে। তদুপৰি, মজলীয়া আৰু বৃহৎ প্ৰকল্পৰ অন্তৰ্গত আঁচনি সমূহেও প্ৰায় ১০ হেজাৰ লোকৰ বাবে কৰ্মসংস্থানৰ পথ প্ৰশস্ত কৰিব বুলি আশা কৰা হৈছে।

**প্ৰাতিষ্ঠানিক বিত্ত**

১০। ১৯৮৭ চনৰ মাৰ্চ মাহলৈকে অসমত অনুসূচীত বাণিজ্যিক বেংকৰ শাখা হৈছে মুঠ ৯৮১ টা। অসমত প্ৰতিটো বেংকে সামৰা জনসংখ্যাৰ হিচাপত ৰাজ্যখনত বৰ্ত্তমানলৈকে বেংকৰ সংখ্যা কম হৈয়ে আছে। ১৯৮৭ চনৰ মাৰ্চ মাহলৈকে অসমত প্ৰতি ২০,০০০ জনসংখ্যাৰ মাজত এটা বেংকহে আছিল। আনহাতে সেই সময়ছোৱাত সৰ্বভাৰতীয় গড় হ'ল প্ৰতি ১৩,০০০ জনসংখ্যাৰ মাজত এটা বেংক। ১৯৮৬-৮৭ চনত ভাৰতীয় ৰিজাৰ্ভ বেংকে প্ৰকাশ কৰা মুদ্ৰা আৰু বিত্ত প্ৰতিবেদন (Report on Currency and Finance, 1986–87) অনুসৰি ১৯৮৬ চনৰ ডিচেম্বৰত ৰাষ্ট্ৰীয় গড় শতকৰা ৬৩ ভাগৰ ঠাইত অসমত ঋণ আৰু জমাৰ অনুপাত আছিল কেৱল শতকৰা

ৰাজ্যখনত খেলা-ধূলাৰ উন্নয়নৰ অৰ্থে প্ৰতিটো উন্নয়ন খণ্ডতে পৰ্য্যায়-ক্ৰমে একোখন ক্ষুদ্ৰ ষ্টেডিয়াম নিৰ্মাণ কৰি গ্ৰামাঞ্চলত গাথনিগত সা-সুবিধাৰ অধিক উন্নতি সাধনত গুৰুত্ব দিয়া হৈছে। কেইটামান চুইমিং পুল, যুৱ-নিবাস আৰু ইনড'ৰ ষ্টেডিয়াম নিৰ্মাণৰ কামো হাতত লোৱা হৈছে। ৰাজ্যখনৰ বিভিন্ন অংশত ভিন ভিন খেলৰ প্ৰতিভাবান উদীয়মান খেলুৱৈক উদগনি দিয়াৰ উদ্দেশ্যে প্ৰশিক্ষণৰ সুবিধা দিয়া হৈছে আৰু ইয়াৰ পৰা সন্তোষজনক ফলো পোৱা গৈছে। কেইবাজনো উদীয়মান ছাত্ৰ-ছাত্ৰীয়ে ৰাষ্ট্ৰীয় পৰ্য্যায়ত এথ্‌লেটিকচ্‌, বেডমিন্টন, টেবুল টেনিছ, ল'ন টেনিছ আৰু ছুইমিঙত পাৰদৰ্শিতা দেখুৱাব পাৰিছে। অহা বছৰত গুৱাহাটীৰ নিউ ফিল্ডত 'চিনথেটিক ট্ৰেক' প্ৰস্তুত কৰাৰ প্ৰস্তাৱ লোৱা হৈছে। অহা বছৰত গুৱাহাটীত এটা বহুমুখী ইনড'ৰ ষ্টেডিয়াম নিৰ্মাণৰো প্ৰস্তাৱ লোৱা হৈছে।

স্বাস্থ্য

১৪। 'দুহেজাৰ চনত সকলোৰে বাবে স্বাস্থ্য' এই লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্যে স্বাস্থ্য সেৱাৰ উন্নয়নৰ কাৰণে বিভিন্ন আচনি আৰু কাৰ্য্যসূচী ৰূপায়ণৰ ওপৰত অবিৰত প্ৰচেষ্টা চলাই থকা হ'ব। উপকেন্দ্ৰ, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু সমূহীয়া স্বাস্থ্য কেন্দ্ৰৰ ব্যৱস্থা কৰি গ্ৰাম্য স্বাস্থ্য ক্ষেত্ৰত গাথনিগত সা-সুবিধা সৃষ্টি কৰাৰ ওপৰত অধিকতৰ প্ৰচেষ্টা চলোৱা হ'ব। ৰাজ্যখনৰ চিকিৎসা মহাবিদ্যালয় কেইখনৰ সা-সুবিধা বঢ়োৱাৰ বাবেও ব্যৱস্থা লোৱা হ'ব ধৰিছে। জনসাধাৰণৰ বৰ্দ্ধিত চাহিদা পূৰণ কৰিবলৈ আৰু হাস্পতাল/প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ সমূহৰ সূচল পৰিচালনাৰ বাবে চিকিৎসা আৰু প্ৰশিক্ষণপ্ৰাপ্ত ধাত্ৰীৰ সংখ্যাও বঢ়োৱা হৈছে।

পাৰ্বত্য অঞ্চল

১৫। পাৰ্বত্য জিলা দুখনৰ ঘাইকৈ কৃষি ভিত্তিক অৰ্থনীতিত ঝুম খেতিয়ে এতিয়াও প্ৰাধান্য বিস্তাৰ কৰি আছে। জনসাধাৰণৰ মাজত প্ৰচলিত ঝুম খেতিৰ অভ্যাস এৰুৱাবলৈ ঝুমিয়া উন্নয়নমূলক আচনিখন কৃতকাৰ্য্যতাৰে ৰূপায়ণ কৰাৰ বাবে প্ৰচেষ্টা চলাই থকা হৈছে। এই আচনিখনৰ অধীনত আৰু অধিক গাঁও সামৰি লোৱা হব। ফলপ্ৰসূভাবে ভূমি আবাদীকৰণৰ ব্যৱস্থা গ্ৰহণ কৰাৰ লগে লগে তাত জলসিঞ্চনৰো ব্যৱস্থা কৰা হ'ব যাতে তেনে আবাদ কৰা ভূমি সোনকালে কৃষি কাৰ্য্যত ব্যৱহাৰ কৰিব পাৰি। কৃষি আচনি সমূহৰ ফলপ্ৰসূ ৰূপায়ণৰ বাবে প্ৰয়োজনীয় সম্প্ৰসাৰণ সেৱাৰ ব্যৱস্থা কৰাৰ উপৰিও আনাৰস, সুমথিৰা, কুঁহিয়াৰ, তেলৰ গুটি আদি কৃষিজাত সামগ্ৰীৰ ওপৰত নিৰ্ভৰশীল উদ্যোগ সমূহৰ উন্নীতকৰণৰ কামো চলাই থকা হ'ব। কৃষিৰ অপৰিহাৰ্য্য সা-সামগ্ৰী, বিশেষকৈ শস্যৰ বীজ সময়মতে বিতৰণ কৰি থকাৰ ব্যৱস্থা কৰি থকা হৈছে। সমাজ সেৱাৰ দিশত শিক্ষা, পানী যোগান, আৰু স্বাস্থ্য সেৱাৰ ওপৰত অগ্ৰাধিকাৰ দি থকা

হ'ব। স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত মেলেৰীয়া, কুষ্ঠ, যক্ষ্মা আৰু গলগণ্ড আদি ৰোগৰ বিৰুদ্ধে জনস্বাস্থ্য ব্যৱস্থা ব্যাপকতৰ কৰা আৰু গ্ৰাম্য স্বাস্থ্যৰ বুনিয়াদ শক্তিশালী কৰিবলৈ অধিকতৰ প্ৰচেষ্টা চলাই থকা হ'ব। পাৰ্বত্য অঞ্চলৰ গ্ৰাম্য অৰ্থনীতি টনকিয়াল কৰা আৰু এই অঞ্চল-সমূহৰ সামগ্ৰিক উন্নতি সাধন কৰাৰ লগতে বেচা-কিনা ব্যৱস্থাও সুচল কৰাৰ অৰ্থে পথ যোগাযোগ ব্যৱস্থাৰ উন্নয়নৰ ওপৰত প্ৰাধান্য দি অহা হৈছে।

পাৰ্বত্য অঞ্চলৰ ১৯৮৮-৮৯ চনৰ বাৰ্ষিক পৰিকল্পনাত পৰিকল্পনা আয়োগে ৰাজ্যিক পৰিকল্পনাৰ অধীনত ৪৩.৫০ কোটি টকা অনুমোদন জনাইছে। ইয়াৰোপৰি, সংযোজিত পৰিকল্পনাৰ অধীনত ২৭.৬৯ কোটি টকাৰ ব্যৱস্থা কৰা হৈছে।

অনুসূচীত জাতি অনুসূচীত জন-জাতি (ভৈয়াম) অন্যান্য পিছপৰা শ্ৰেণী আৰু প্ৰাক্তন চাহ বনুৱা সম্প্ৰ-দায়ৰ কল্যাণ

১৬। অনুসূচীত জাতি, অনুসূচীত জনজাতি, অন্যান্য পিছপৰা শ্ৰেণী আৰু প্ৰাক্তন চাহ বনুৱা সম্প্ৰদায়ৰ লোকৰ আৰ্থ-সামাজিক উন্নয়ন সাধনৰ অৰ্থে চৰকাৰে পিছপৰা খণ্ডৰ পৰিকল্পনা আচনি গ্ৰহণ কৰিছে। এই আচনি-বোৰ বিভিন্ন উন্নয়ন বিভাগে কাৰ্য্যকৰী কৰা সাধাৰণ পৰিকল্পনা আঁচনিৰ পৰিপূৰক। এই আঁচনিবোৰৰ সঠিক ৰূপায়ণ আৰু যাৰ কাৰণে এই আঁচনিবোৰ কৰা হৈছে তেওঁলোকে যাতে ইয়াৰ সুফল পায় তাৰ প্ৰতি চৰ-কাৰ অধিক সচেষ্ট হ'ব। ১৯৮৮-৮৯ চনৰ ৰাজ্যিক বাৰ্ষিক পৰিকল্পনা আবণ্টনৰ পৰা ৬৩.১৪ কোটি টকা জনজাতি উপ-পৰিকল্পনাৰ অধীনত ধৰা হৈছে আৰু ৩২.১৮ কোটি টকা ধৰা হৈছে অনুসূচীত জাতিৰ বিশেষ সংযোগী পৰিকল্পনাৰ অধীনত। সংযোজিত কেন্দ্ৰীয় সাহায্যৰ দ্বাৰা জন-জাতি উপ-পৰিকল্পনাৰ ৭.০৬ কোটি টকাৰে আৰু অনুসূচীত জাতিৰ বিশেষ পৰিকল্পনা ২.০২ কোটি টকাৰে বৃদ্ধি পাব।

নিয়োগ

১৭। নিয়োগৰ অধিক সুবিধা সৃষ্টি কৰিবলৈ প্ৰচেষ্টা চলাই থকা সত্বেও ৰাজ্যখনত বৰ্দ্ধিত নিবনুৱা সমস্যাটো উদ্বেগজনক হৈয়ে আছে। ৰাজ্যখনৰ সংগঠিত খণ্ডত ১৯৮৭ চনৰ জুন মাহৰ শেষলৈকে মুঠ নিয়োগৰ পৰিমাণ আগৰ বছৰৰ তুলনাত শতকৰা ২.০৩ ভাগ বৃদ্ধি পায়। ১৯৮৭ চনৰ জুন মাহৰ শেষলৈকে নিযুক্তি পোৱা ১০.১২ লাখ লোকৰ ভিতৰত শতকৰা ৩২.০৫ ভাগেই মহিলা। নিয়োগ বিনিময় কেন্দ্ৰৰ চলন্ত পঞ্জীমতে ১৯৮৫ চনৰ জুন মাহৰ শেষলৈ থকা মুঠ ৬.০৩ লাখ চাকৰি প্ৰাৰ্থীৰ সংখ্যা বৃদ্ধি হৈ ১৯৮৬ চনৰ শেষলৈ ৮.১৫ লাখ হয় আৰু ই পুনৰ বৃদ্ধি হৈ ১৯৮৭ চনৰ আগষ্ট মাহৰ শেষলৈ মুঠ ৮.৪৮ লাখ হয়গৈ। ১৯৮৭ চনৰ আগষ্ট মাহৰ শেষলৈ শিক্ষিত চাকৰি প্ৰাৰ্থীৰ সংখ্যা আছিল প্ৰায় ৪.৬৬ লাখ। ই মুঠ চাকৰি প্ৰাৰ্থীৰ প্ৰায় শতকৰা ৫৫ ভাগ। ১৯৮৭ চনৰ চেপ্তেম্বৰ

মাহৰ শেষলৈ অসম নিবনুৱা সাহায্য আচনিৰ অধীনত ৮৬৯৫ জন স্নাতকক সামৰি লোৱা হৈছে। ১৯৮৮-৮৯ চনৰ বছৰটোত মুঠ ৮৬০০ জন স্নাতকক এই আচনিৰে সামৰিব পৰা হব বুলি আশা কৰা হৈছে। কৃষি আৰু উদ্যোগ খণ্ডত আত্মনিয়োজনৰ কাৰণে যথেষ্ট সা-সুবিধা সৃষ্টি কৰিবলৈ ব্যৱস্থা লোৱা হব ধৰিছে।

দৰমহা আয়োগ

১৮। ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলৰ দৰমহাৰ হাৰ আদি সংশোধনৰ বাবে ৰাজ্য চৰকাৰে এটা দৰমহা আয়োগ গঠনৰ সিদ্ধান্ত লৈছে। ইয়াৰ আগতে ১৯৭৯ চনৰ নবেম্বৰ মাহত গঠিত দৰমহা আয়োগৰ অনুমোদনাৱলী অনুসৰি ১৯৮১ চনৰ ১ জানুৱাৰীৰ পৰা দৰমহাৰ হাৰ সংশোধন কৰা হৈছিল।

বেংকৰ জৰিয়তে পেন্সন ব্যৱস্থা

১৯। বৰ্ত্তমানে চৰকাৰী পেন্সনভোগীয়ে তেওঁলোকৰ পেন্সনৰ টকা কোষাগাৰে বিল পাচ কৰাৰ পিছতহে বেঙ্কৰ পৰা পায়। পেন্সনভোগীসকলৰ এই অসুবিধাসমূহ দূৰ কৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লেখীয়াকৈ ৰাজহুৱা খণ্ডৰ কিছুমান বেঙ্কৰ জৰিয়তে পেন্সনভোগী সকলক পোণে পোণে পেন্সন আদায় দিয়াৰ এক আচনি প্ৰস্তুত কৰিছে। এই আচনি প্ৰস্তুত কৰোতে সংশ্লিষ্ট বেঙ্ক, মহাগাণনিক, ভাৰতীয় ৰিজাৰ্ভ বেঙ্ক আৰু কেন্দ্ৰীয় বিত্ত মন্ত্ৰনালয়ৰ লগত আলোচনা বিলোচনা কৰিবলগীয়া হৈছিল। এনেদৰে প্ৰস্তুত কৰা আচনিখন ভাৰতীয় ৰিজাৰ্ভ বেঙ্কলৈ ইতিমধ্যে পঠোৱা হৈছিল। ভাৰতীয় ৰিজাৰ্ভ বেঙ্কে দিয়া মন্তব্য আৰু স্পষ্টীকৰণৰ ভিত্তিত প্ৰয়োজনীয় সাল-সলনি ঘটাই আঁচনিখন ভাৰতীয় ৰিজাৰ্ভ বেঙ্কৰ অনুমোদনৰ কাৰণে পুনৰ প্ৰেৰণ কৰা হৈছে।

ভাৰত-বাংলাদেশ সীমান্ত

২০। ভাৰত-বাংলাদেশ সীমান্তত সীমান্ত পথ নিৰ্মাণত বিশেষ মনোযোগ দিয়া হৈছে। ইতিমধ্যে ৰাজ্যিক গড়কাপ্তানি বিভাগে এই সম্পৰ্কীয় জৰীপ কাৰ্য্য চলাইছে আৰু পথ নিৰ্মাণ কাৰ্য্যও আৰম্ভ কৰিছে। সীমান্ত বেৰাৰ নক্সা আৰু বিস্তৃত বিৱৰণো চূড়ান্ত কৰা হৈছে।

পৰিকল্পনা ব্যয়

২১। ৰাজ্যখনৰ ১৯৮৮-৮৯ চনৰ বাৰ্ষিক পৰিকল্পনাৰ বাবে পৰিকল্পনা আয়োগে ৬১০ কোটি টকা অনুমোদন কৰিছে। ইয়াৰে ৫৬৬·৫০ কোটি টকা সাধাৰণ অঞ্চলৰ বাবে আৰু ৪৩·৫০ কোটি টকা পাৰ্বত্যাঞ্চলৰ বাবে অনুমোদন কৰা হৈছে। ই চলিত বছৰৰ আবন্টন ৫৭৫ কোটি টকাৰ হিচাপতকৈ ৬·০৯ শতাংশ বেছি। এই আবন্টিত ৬১০ কোটি টকাৰ পৰাই জনজাতি উপ-পৰিকল্পনাৰ বাবে ৬৩·১৪ কোটি টকা আৰু অনুসূচীত জাতিৰ সংযোগী পৰিকল্পনাৰ বাবে ৩২·১৮ কোটি টকা ধাৰ্য্য কৰা হৈছে। ইয়াৰ বাহিৰেও পাৰ্বত্য পৰিকল্পনা ব্যয়ৰ পৰিপূৰক হিচাবে ২৭·৬৯ কোটি টকাৰ

সংযোজিত কেন্দ্ৰীয় সাহায্য পোৱা হব। ইয়াৰ লগতে জনজাতি উপ-পৰিকল্পনা আৰু অনুসূচীত জাতিৰ সংযোগী পৰিকল্পনাৰ বাবে সংযোজিত কেন্দ্ৰীয় সাহায্যৰ যোগেদি পোৱা ধনৰ ফলত অহা বছৰৰ পৰিকল্পনা আবণ্টনৰ ধনৰ পৰিমাণ আৰু বৃদ্ধি পাব। অৱশ্যে, এই সংযোজিত ধনৰ পৰিমাণ এতিয়াও চূড়ান্ত নোহোৱাৰ কাৰণে চলিত বছৰত জনজাতি উপ-পৰিকল্পনাৰ বাবে ধাৰ্য্য কৰা তেনে সংযোজিত ধনৰ ৭.০৬ কোটি আৰু অনুসূচীত জাতি সংযোগী পৰিকল্পনাৰ বাবে ধাৰ্য্য কৰা ২.০২ কোটিৰ ব্যয়কে অহা বছৰতো ব্যয় কৰাৰ ব্যৱস্থা বাহাল ৰখা হৈছে। ৬১০ কোটি টকাৰ অনুমোদিত ব্যয়ৰ বাবে কেন্দ্ৰীয় সাহায্য নিৰ্দ্ধাৰণ কৰা হৈছে ৫৩৫.৮১ কোটি টকাত আৰু এই পৰিমাণ মুঠ ব্যয়ৰ ৮৮ শতাংশ।

**বিত্তীয় দৃশ্যপট**

২২। সংযুক্ত গণতান্ত্ৰিক দেশ এখনৰ সৰ্বাঙ্গীন উন্নয়নৰ বাবে কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত সম্পদৰাজিৰ আবণ্টন সমতাপূৰ্ণ হ'ব লাগে। কিন্তু ভাৰতীয় পটভূমিত এই আবণ্টনৰ ঢাল কেন্দ্ৰমুখীহে। ৰাজ্য সমূহতকৈ কেন্দ্ৰৰ সম্পদৰ ভিত্তি বহু ব্যাপক। আনহাতে আমি যেতিয়া অতিৰিক্ত সম্পদ বৃদ্ধি কৰিবলৈ বিচাৰো তেতিয়া যথেষ্ট জটিলতা আহি পৰে।

আমাৰ ৰাজ্যখনৰ উদ্যোগ আৰু নগৰীকৰণৰ বৰ্ত্তমান অৱস্থাত সম্পদ আহৰণৰ ক্ষেত্ৰত এক সীমাবদ্ধতাৰ সন্মুখীন হ'ব লগীয়া হয়। ৰাজ্যখনৰ বাবে বিক্ৰীকৰ ৰাজহৰ এক ঘাই উৎস। কিন্তু আমাৰ সীমান্তত দুটা বিক্ৰীকৰ মুক্ত অঞ্চল যেনে অৰুণাচল প্ৰদেশ আৰু মিজোৰাম থকাত কৰ বঢ়োৱাৰ ক্ষেত্ৰত আমি কিছু নিৰস্ত হবলগীয়াত পৰিছো জানোচা বৰ্দ্ধিত কৰৰ ফলত ব্যৱসায়ৰ গতি কৰ নোহোৱা ৰাজ্যৰ ফালে পৰিবৰ্ত্তিত হয়।

মাননীয় সদস্যসকলৰ নিশ্চয় মনত আছে যে বিগত দুবছৰৰ মোৰ বাজেট বক্তৃতাত মই কনচাইনমেণ্ট কৰৰ সম্পৰ্কে উল্লেখ কৰিছিলো। ব্যাপক হাৰত ষ্টককৰ হস্তান্তৰৰ ফলত আমি যথেষ্ট পৰিমাণৰ ৰাজহ হেৰুৱাওঁ। ষ্টক হস্তান্তৰৰ ক্ষেত্ৰত যাতে কৰ লগাব পাৰি তাৰবাবে সংবিধান সংশোধন কৰা হৈছে যদিও ভাৰত চৰকাৰে এই ক্ষেত্ৰত প্ৰণয়ন কৰিবলগীয়া প্ৰয়োজনীয় আইনখন এতিয়াও চূড়ান্ত কৰা নাই।

খাৰুৱা তেলৰ ৰয়েল্টি ৰাজ্য চৰকাৰে এক ক্ষয়িষ্ণু সম্পদৰ পৰা পোৱা এটি গুৰুত্বপূৰ্ণ ৰাজহৰ উৎস। ৰয়েল্টিৰ চলিত হাৰ হৈছে প্ৰতি মেট্ৰিক টনত ১৯২ টকা আৰু খাৰুৱা তেলৰ পৰা বৰ্ত্তমানে হোৱা বাৰ্ষিক আয় প্ৰায় ৯৬ কোটি টকা। ১৯৮৭ চনৰ ১ এপ্ৰিলৰ পৰা ৰয়েল্টিৰ হাৰ সংশোধন কৰিবলগীয়া হৈ আছে। ৰাজ্য চৰকাৰে ইতিমধ্যে প্ৰতি মেট্ৰিক টনত ৩৪০ টকালৈ ৰয়েল্টিৰ হাৰ বৃদ্ধি কৰাৰ দাবী জনাই এখন স্মাৰক পত্ৰ কেন্দ্ৰীয় চৰকাৰক দিছে। এই বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ ওচৰত নিষ্পত্তি নোহোৱাকৈ আছে।

আমি বিষয়টোৰ সন্দৰ্ভত যোগাযোগ কৰি আছো; কিন্তু ভাৰত চৰকাৰে যদিহে উপযুক্তভাবে এই হাৰ বৃদ্ধি নকৰে তেনেহলে আমি এক বুজন পৰিমাণৰ ন্যায়সঙ্গত উপাৰ্জনৰ পৰা বঞ্চিত হৈ থাকিব লগা হ'ব। আনহাতে ৰাজ্য-খনৰ নিজা কৰ আৰু কৰ বহিৰ্ভূত ৰাজহৰ পৰা পোৱা সম্পদ বৰ্দ্ধিত ব্যয় বহন কৰাৰ বাবে যথেষ্ট নহয়। ৰাজ্যৰ পৰিকল্পনা বহিৰ্ভূত ব্যয়ৰ কথা বাদ দিলেও এটা কথা স্পষ্ট ভাবে প্ৰতীয়মান হয় যে আঞ্চলিক অসমতা সম্পূৰ্ণকৈ আতৰাব নোৱাৰিলেও অন্ততঃ কমোৱাৰ বাবে বিভিন্ন দিশত উন্নয়নৰ কাৰণে প্ৰভুত ধন বিনিয়োগৰ আৱশ্যক হয়। এনে বিনিয়োগ ঘাইকৈ কেন্দ্ৰীয় সাহায্যৰ জৰিয়তে বহন কৰা ৰাজ্যিক পৰিকল্পনা আবণ্ট-নৰে অংশ বিশেষ। সেয়ে, উন্নয়নমূলক কাম-কাজ সমূহ হাতত লোৱাৰ বাবে ৰাজ্যিক পৰিকল্পনাৰ আকাৰ ন্যূনতম চাহিদাৰ লগত সঙ্গতিপূণ হোৱাটো প্ৰয়োজন। অৱশ্যে কেন্দ্ৰীয় সাহায্যৰ ক্ষেত্ৰত অনুদানতকৈ ঋণৰ পৰিমাণ অধিক। সাধাৰণ এলেকাৰ ক্ষেত্ৰত পৰিকল্পনাৰ বাবে পোৱা কেন্দ্ৰীয় সাহায্য হৈছে শতকৰা ৭০ ভাগ ঋণ আৰু শতকৰা ৩০ ভাগ অনুদান। আনহাতে পাৰ্বত্য এলেকাৰ ক্ষেত্ৰত কেন্দ্ৰীয় সাহায্যৰ পৰিমাণ হৈছে শতকৰা ৯০ ভাগ অনুদান আৰু শতকৰা ১০ ভাগ ঋণ। আমাৰ পাৰ্বত্য জিলা দুখনহে হোৱা হেতুকে পৰিকল্পনাৰ বাবে সৰহ খিনি কেন্দ্ৰীয় সাহায্য ৰাজ্য চৰকাৰে কেৱল ঋণ হিচাপেহে পায়। ইয়াৰ ফলত ৰাজ্য চৰকাৰে এক বৃহৎ ঋণৰ বোজা বহন কৰিব লগা হয়। ১৯৮৫-৮৬ চনৰ ২০৭৮.৭৮ কোটি টকাৰ বিপৰীতে আমাৰ ৰাজহৱা ঋণৰ পৰিমাণ ইতিমধ্যে ২৩৪৬.৮৫ কোটি টকালৈ বৃদ্ধি পাইছে। ১৯৮৭-৮৮ চনত ই ২৭০১.৪০ কোটি টকালৈ বৃদ্ধি পাব বুলি ধাৰণা কৰা হৈছে। চলিত বছৰটোতে আমি ভাৰত চৰকাৰ আৰু অন্যান্য বিত্তীয় প্ৰতিষ্ঠানলৈ মূলধন পৰিশোধ আৰু সুতৰ বাবদ ৩৩১ কোটি টকা হস্তান্তৰ কৰিব লাগিব। আনহাতে চলিত বছৰৰ ৫৭৫ কোটি টকাৰ পৰিকল্পনাৰ বিপৰীতে কেন্দ্ৰীয় সাহায্যৰ পৰিমাণ হ'ল ৫৩০ কোটি টকা আৰু ঋণ পৰিশোধ আৰু সুত শোধ কৰাৰ বাবদ আমাৰ দেনাৰ পৰিমাণ ৩৩১ কোটি টকা। ৰাজ্যখনত উন্নয়নৰ অৰ্থে অধিক ধন বিনিয়োগ কৰিবলৈ সৰহ ধন ধাৰলৈ লোৱাৰ প্ৰয়োজন আৰু সৰহ ধন ধাৰলৈ লোৱা মানেই তদনুৰূপভাবে ঋণৰ বোজা বৃদ্ধি পোৱা। ৰাজ্যিক পৰিকল্পনাৰ আকাৰ বৃদ্ধি পোৱাৰ লগে লগে ৰাজ্য চৰকাৰৰ ঋণৰ বোজাও বাঢ়ি যাব আৰু ফলত ঋণ-বেহত সম্পূৰ্ণকৈ বান্ধ খাব লাগিব। এইটো মন কৰিবলগীয়া কথা যে মুদ্ৰাস্ফীতিয়ে সমগ্ৰ মূল্য গাথনি ইমান বেয়াকৈ বিকৃত কৰিছে যে মূল আকাৰত পৰিকল্পনাৰ লক্ষ্য কাৰ্য্যকৰী কৰাটোকে প্ৰকাৰন্তৰে অসম্ভৱ হৈ পৰিছে।

মুদ্ৰাস্ফীতিৰ ওপৰত ৰাজ্য চৰকাৰৰ পৰ্য্যাপ্ত নিয়ন্ত্ৰণ নাথাকে অথচ ইয়াৰ ফলত হোৱা ব্যয় বৃদ্ধিৰ বোজা ৰাজ্যয়ে বহন কৰিব লগীয়া হয়।

মূল্য বৃদ্ধি আৰু মুদ্ৰাস্ফীতি সৰ্বভাৰতীয় সমস্যা আৰু ই অসংযত ঋণৰ সম্প্ৰসাৰণ আৰু অনিয়ন্ত্ৰিত অৰ্থ যোগান, দেশ-বিদেশৰ পৰা লোৱা ঋণ, ঘাটি বিত্তীয় ব্যৱস্থা, প্ৰশাসিত মূল্যমান বৃদ্ধি ( raising of administered prices ) আদিৰ দৰে কেন্দ্ৰীয় চৰকাৰে অনুসৰণ কৰা নীতিৰেই ফল। বিনিয়োগ ব্যয় আৰু সম্পত্তি ( assets ) ৰক্ষণাবেক্ষণৰ ব্যয়ৰ ওপৰতো মুদ্ৰাস্ফীতিৰ পোনপটীয়া প্ৰভাব পৰে। মূল্য বৃদ্ধিৰ ফলত জনসাধাৰণৰ দুখ-কষ্ট বাঢ়ে আৰু অন্যান্য বিষয়ৰ লগতে চৰকাৰী দা-দৰমহাৰ নিৰিখৰো সংশোধনৰ প্ৰয়োজন হৈ পৰে। ইয়াৰ উপৰিও ভাৰত চৰকাৰে যেতিয়া কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীসকলৰ দৰমহাৰ হাৰ সংশোধন কৰে, তাৰ ফলস্বৰূপে ৰাজ্যিক চৰকাৰৰ কৰ্মচাৰীসকলৰ পৰাও তেনে বেতন সংশোধনৰ দাবী উঠে যাৰ ফলত ৰাজ্যিক ৰাজকোষৰ ওপৰত হেঁচা পৰে।

বৰ্তমান আমাৰ এনেহেন পৰিস্থিতিত নিঃসন্দেহে কব পাৰি যে ৰাজ্যসমূহ সংযুক্ত গণতান্ত্ৰিক গাথনিৰ সুস্থ আৰু শক্তিশালী অংশীদাৰ হবলৈ হলে কেন্দ্ৰৰ পৰা ৰাজ্যসমূহলৈ অধিক পৰিমাণৰ সম্পদ হস্তান্তৰ অপৰিহাৰ্য্য। বিত্ত আয়োগসমূহৰ যোগেদি যি সম্পদ আমালৈ হস্তান্তৰ হৈছিল তাৰ দ্বাৰা উন্নয়নৰ বাবে ধন বিনিয়োগ কৰিবলৈ আমাৰ কোনো ৰাহি ধন নাছিল। অষ্টম বিত্ত আয়োগে ১৪৪৪·৪৬ কোটি টকাৰ নিৰ্দ্ধাৰিত ঘাটি পূৰোৱাৰ অৰ্থে প্ৰয়োজনীয় ধনৰ উপৰিও অতিৰিক্ত ২২·৬৯ কোটি টকাৰ অনুমোদন জনাইছিল। এনেধৰণেৰে অতিৰিক্ত অনুদানৰ বাবে অষ্টম বিত্ত আয়োগে অনুমোদন কৰিছিল যাতে ঘাটি ৰাজ্য বিলাকে অনুদানৰ ক্ষেত্ৰতো বিশেষ সুবিধা লাভ কৰিব পাৰে। কিন্তু মুদ্ৰাস্ফীতি আৰু ইয়াৰ ফলত প্ৰতি দিশতে হোৱা ব্যয় বৃদ্ধিৰ বাবে নিৰ্দ্ধাৰিত ঘাটিৰ ওপৰত দিয়া অতিৰিক্ত অনুদান উদ্দেশ্য সাধনত নিষ্ফল হ'ল। সেয়ে, ৰাজ্যসমূহৰ ৰাজহ ঘাটি বাস্তৱিক ভিত্তিত নিৰ্দ্ধাৰণ হোৱাটো অতীব প্ৰয়োজনীয়। এইদৰে নিৰ্দ্ধাৰণ কৰাৰ পাছত নিৰ্দ্ধাৰিত ঘাটিৰ উপৰিও যথেষ্ট সম্পদ ৰাজ্য সমূহলৈ হস্তান্তৰ কৰিব লাগিব যদিহে ৰাজ্য সমূহে উন্নয়নৰ উদ্দেশ্যে ধন বিনিয়োগ কৰাৰ অৰ্থবহ প্ৰচেষ্টা চলাব লাগে।

কিন্তু বাস্তৱিক ভিত্তিত আমাৰ চাহিদা নিৰ্দ্ধাৰণ কৰাৰ পৰিবৰ্ত্তে কেন্দ্ৰই বান সাহায্যদানৰ বেলিকাও অনুসৰণ কৰা পদ্ধতি এনেকুৱা যে ই প্ৰকৃততে আমাৰ বিত্তীয় অৱস্থাক প্ৰয়োজনীয় সকাহ নিদিয়ে। সকলোৱে জানে যে বানপানীৰ ধ্বংসকাৰ্য্যই আমাৰ অৰ্থনীতিক প্ৰতি বছৰে দুৰ্বল কৰে আৰু ইয়াৰ ফলত ৰাজ্যখনৰ ৰাজকোষৰ ওপৰতো গধূৰ বোজা পৰে। বৰ্ত্তমানৰ ব্যৱস্থামতে প্ৰাকৃতিক দুৰ্যোগৰ ক্ষেত্ৰত নিৰ্দ্ধাৰিত প্ৰান্তীয় ধনতকৈ (margin money ) অধিক খৰচ কৰিবলগীয়া হলে এই অতিৰিক্ত খৰচৰ

৭৫ ভাগ কেন্দ্ৰই পৰিকল্পনা বহিভূত অনুদান হিচাপে বহন কৰে যদিহে এই ব্যয় কেন্দ্ৰীয় দলে ( Central Team ) অনুমোদন কৰা সৰ্ব্বোচ্চ সীমাৰ ভিতৰত থাকে। বাকী ২৫ শতাংশ ৰাজ্য চৰকাৰে নিজা সম্পদৰ পৰা বহন কৰিব লাগে। ১৯৮৭-৮৮ চনৰ বাবে ভাৰত চৰকাৰে অনুমোদন কৰি দিয়া ব্যয়ৰ সৰ্ব্বোচ্চ সীমা হ'ল ৬২·৫০ কোটি টকা। প্ৰান্তীয় ধনৰ ৭·২৫ কোটি টকা বাদ দি এই বছৰটোৰ বাবে পাবলগীয়া কেন্দ্ৰীয় সাহায্যৰ পৰিমাণ হ'ব ৪১·৪৪ কোটি টকা। সেইদৰে, নিজা সম্পদৰ পৰা ৰাজ্য চৰকাৰৰ বৰঙণি হয়গৈ ১৩·৮১ কোটি টকা। বিত্তীয় সম্পদৰ নাটনিৰ কাৰণে অসমৰ নিচিনা এখন ৰাজ্যৰ বাবে প্ৰান্তীয় ধনৰ ওপৰঞ্চি ২৫ শতাংশ ব্যয় কৰাটোও কঠিন হৈ পৰে। আমাৰ মতে প্ৰান্তীয় ধনৰ ওপৰঞ্চি সমুদায় খৰচ কেন্দ্ৰীয় পৰিকল্পনা বহিৰ্ভূত অনুদান হিচাপে দিব লাগে। এইখিনিতে উল্লেখ কৰাও অপ্ৰাসঙ্গিক নহব যে ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপ-নৈবোৰৰ অববাহিকা অঞ্চলত হোৱা প্ৰবল বৰষুণ আৰু তাত জমা হোৱা পলসৰ বাবেই অসমত বানপানী হয়। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ কেইবাখনো উপনৈৰ উৎস ৰাজ্যৰ বাহিৰত। সেয়ে, বাৰে বাৰে হোৱা বানপানীৰ সমস্যা-টো কাৰ্য্যকৰী ধৰণে সমাধান কৰাৰ ক্ষমতা ৰাজ্য চৰকাৰৰ নাই। তদুপৰি, ব্ৰহ্মপুত্ৰৰ প্ৰলয়ঙ্কৰী বানপানীৰ দৰে এটা ৰাষ্ট্ৰীয় সমস্যা প্ৰতিৰোধ কৰিব পৰাকৈ প্ৰয়োজনীয় পৰিসৰৰ কোনো আঁচনি হাতত লবলৈ ৰাজ্য চৰকাৰৰ সম্পদৰ অভাৱ। সেয়ে, ন্যায়সঙ্গত ভাবে গোটেই ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণ প্ৰকল্পটোৰ ব্যয় কেন্দ্ৰই ১০০ শতাংশ ঋণৰ ভিত্তিত নকৰি ১০০ শতাংশ অনুদানৰ ভিত্তিত বহন কৰিব লাগে। বৰ্ত্তমানে চলি থকা ১০০ শতাংশ ঋণৰ ভিত্তিত পোৱা কেন্দ্ৰীয় সাহায্যই আমাৰ গধুৰ ঋণৰ বোজা আৰু গধুৰ কৰিছে।

মই আগতেই উল্লেখ কৰিছো যে বিক্ৰী কৰেই হ'ল ৰাজহৰ এটা প্ৰধান উৎস। এই ক্ষেত্ৰত মই আন এটা দিশৰ কথাও উল্লেখ কৰিব খোজো। মাননীয় সদস্যসকলে জানে যে চেনি, বস্ত্ৰ আৰু ধপাতৰ দৰে প্ৰধান বস্তু কেইপদত বিক্ৰীকৰ লগোৱা নহয়। এই বস্তু কেইপদত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিক্ৰীকৰৰ পৰিবৰ্তে অতিৰিক্ত আবকাৰী শুল্কহে লগোৱা হয়। ১৯৫৬ চনত ৰাষ্ট্ৰীয় উন্নয়ন পৰিষদত উপনীত হোৱা এক সিদ্ধান্তৰ ফলস্বৰূপে এই কৰ লগোৱাৰ ব্যৱস্থা কৰা হয়। ফলত চেনি, বস্ত্ৰ আৰু ধপাতৰ ওপৰত অতিৰিক্ত আবকাৰী শুল্ক লগাই কেন্দ্ৰীয় চৰকাৰে সংগ্ৰহ কৰা অতিৰিক্ত ধনৰ অংশ দিয়াৰ বিনিময়ত ওপৰোক্ত বস্তু কেইপদৰ ওপৰত বিক্ৰীকৰ লগোৱাৰ ক্ষমতা কাৰ্য্যকৰী কৰাৰ পৰা ৰাজ্য চৰকাৰসমূহ বিৰত থাকিবলৈ সন্মত হয়। সেই অনুক্ৰমে অতিৰিক্ত আবকাৰী শুল্ক তেতিয়াৰ পৰা কেন্দ্ৰই লগাই আহিছে আৰু সংগ্ৰহো কৰিছে আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহে পাবলগীয়া অংশ বাদ দি সংগৃহীত আটাইখিনি ধন

ৰাজ্যবোৰৰ মাজত ভগাই দিয়া হয়। নীতিগতভাবে ৰাজ্যবোৰে এই কেইপদ সামগ্ৰীৰ ওপৰত বিক্ৰীকৰ এতিয়াও লগাব পাৰে। কিন্তু আন্তঃ ৰাজ্যিক বেহাবেপাৰ বা বাণিজ্যত উক্ত বস্তুকেইপদক বিশেষ গুৰুত্ব থকা বস্তু বুলি ঘোষণা কৰা কেন্দ্ৰীয় বিক্ৰীকৰ আইন, ১৯৫৬ ৰ ব্যৱস্থা অনুযায়ী তেনে বিক্ৰীকৰৰ হাৰ 8 শতাংশৰ অধিক হব নোৱাৰে। অৱশ্যে ইয়াৰ যি কোনো এপদ বস্তুৰ ওপৰত বিক্ৰীকৰ লগালে ৰাজ্যখনে অতিৰিক্ত আবকাৰী শুল্কৰ অংশ হেৰুৱাব।

যিহেতু ৰাজ্য চৰকাৰে প্ৰচুৰ সম্ভাৱনাপূৰ্ণ ৰাজহৰ এটি উৎস ত্যাগ কৰিবলৈ সন্মত হৈছে তাৰ বিনিময়ত বিক্ৰীকৰৰ সলনি অতিৰিক্ত আবকাৰী শুল্ক প্ৰৱৰ্ত্তন কৰাৰ ফলত ৰাজ্য চৰকাৰসমূহে যি পৰিমাণৰ টকা হেৰুৱালে সেই পৰিমাণৰ ধন দিয়াতো নিশ্চিত কৰিব লাগে। মুঠতে কেন্দ্ৰই এতিয়ালৈকে যি ধৰণে এই কাৰ্য্যসূচী ৰূপায়ণ কৰিছে সি ৰাজ্য চৰকাৰৰ আশানুৰূপ হোৱা নাই। ১৯৭০ চনত ৰাষ্ট্ৰীয় উন্নয়ন পৰিষদতো বিষয়টো আলোচনা কৰা হৈছিল আৰু অন্যান্য বিষয়ৰ লগতে এই সিদ্ধান্তত উপনীত হোৱা গৈছিল যে দুই বা তিনিবছৰৰ ভিতৰত অতিৰিক্ত আবকাৰী শুল্কৰ ভাৰ ( Incidence of Excise duty ) নিষ্কাষণ মূল্যৰ ( Value of Clearance) ১০·৮ শতাংশলৈ বঢ়োৱা হ'ব। কিন্তু এই আশ্বাস এতিয়াও পূৰণ কৰা হোৱা নাই। তদুপৰি ১০·৮ শতাংশৰ প্ৰাৰম্ভিক লক্ষ্যটো ১৯৭০ চনতে স্থিৰ কৰা হৈছিল। সম্প্ৰতি ইয়াক সংশোধন কৰাৰ প্ৰয়োজন হৈ পৰিছে। আনহাতে, এই কেইবছৰতে বস্ত্ৰৰ সংজ্ঞাও সলনি হৈছে আৰু বহুকেইপদ নতুন সামগ্ৰী ইয়াৰ আওতালৈ আহিছে। কিন্তু ৰাজ্যসমূহক এনে সামগ্ৰীৰ ওপৰত বিক্ৰীকৰ লগোৱাৰ পৰা বিৰত কৰা হৈছে যাৰ ফলত ৰাজ্যসমূহৰ ৰাজহৰ ওপৰত আঘাত পৰিছে।

২৩। অধ্যক্ষ মহোদয়, মই এতিয়া হিচাপ আৰু বাজেটৰ বিষয়ে কবলৈ বিচাৰিছো।

**১৯৮৬-৮৭ চনৰ হিচাপ**

১৯৮৬-৮৭ চনৰ সংশোধিত নিৰ্দ্ধাৰণত সামৰণি উদ্বৃত্তত ৪৯·৬৭ কোটি টকা ঘাটি দেখা গৈছিল যদিও বছৰটো প্ৰকৃততে ১৬৬·৫৩ কোটি টকা ঘাটিৰে সামৰণি পৰে। ১৯৮৬-৮৭ চনৰ আৰম্ভণী উদ্বৃত্তৰ ঘাটি ৩৮·৬২ কোটি টকাৰ পৰা ১০৩·৯৭ কোটি টকালৈ সলনি হোৱাটোৱেই সংশোধিত নিৰ্দ্ধাৰণ আৰু প্ৰকৃতৰ মাজৰ এই ব্যাপক ব্যৱধানৰ ঘাই কাৰণ। অসমৰ মহাগাণনিকৰ প্ৰতিবেদন অনুসৰি ১৯৮৬ চনৰ মাৰ্চ মাহৰ প্ৰকৃত সামৰণিৰ উদ্বৃত্তৰ ওপৰত ভিত্তি কৰি ১৯৮৬-৮৭ চনৰ সংশোধিত নিৰ্দ্ধাৰণৰ শিতানত সেইবছৰৰ আৰম্ভণী উদ্বৃত্ত ৩৮·৬২ কোটি টকা ঘাটি ধৰা হৈছিল। অৱশ্যে, অসমৰ মহাগাণনিকে পিছত ১৯৮৬-৮৭ চনৰ এপ্ৰিলত আৰম্ভণী উদ্বৃত্ত ১০৩·৯৭ কোটি টকা ঘাটি হিচাপে দেখুৱায়।

১৯৮৬-৮৭ চনৰ সংশোধিত নিৰ্দ্ধাৰণতকৈ একত্ৰিত নিধিত সেইবছৰৰ প্ৰকৃত ৰাজহ আয় ৫৭·১৫ কোটি টকা বৃদ্ধি পায়। সংশোধিত হিচাপতকৈ ৰাজহ হিচাপত প্ৰকৃত ব্যয়ো ২১·২৪ কোটি টকা হ্ৰাস হয়। ইয়াৰ ফলত সংশোধিত নিৰ্দ্ধাৰণতকৈ প্ৰকৃত হিচাপত ৭৮·৩৯ কোটি টকাৰ এক উন্নত অৱস্থা পৰিলক্ষিত হৈ ৰাজহ হিচাপত ৬০·৫৯ কোটি টকাৰ ৰাহি হোৱা দেখা যায়।

অৱশ্যে, ৰাজহ হিচাপৰ বাহিৰৰ প্ৰকৃত লেন-দেনত সংশোধিত নিৰ্দ্ধাৰণতকৈ মুঠতে ১২৯·৯০ কোটি টকাৰ অৱনতি দেখা যায়। সেয়ে ১৯৮৬-৮৭ চনৰ সংশোধিত নিৰ্দ্ধাৰণতকৈ বছৰটোত চলিত লেনদেনত ৫১·৫১ কোটি টকাৰ অৱনতি ঘটে। ফলত ১৯৮৬-৮৭ চন বছৰটো ঘাইকৈ ৰাজহ বহিৰ্ভূত হিচাপৰ ঘাটি আৰু আৰম্ভণী উদ্বৃত্তৰ ঘাটিৰ হেতুকে ১৬৬·৫৩ কোটি টকাৰ ঘাটিৰে সামৰণি পৰে।

**১৯৮৭-৮৮ চনৰ সংশোধিত হিচাপ**

২৪। চলিত বছৰৰ বাজেট নিৰ্দ্ধাৰণতকৈ সংশোধিত নিৰ্দ্ধাৰণত একত্ৰিত নিধিৰ ভিতৰত ৰাজহ আয় আৰু মূলধনী আয় যথাক্ৰমে ৫·৬৬ কোটি টকা আৰু ৯·৫০ কোটি টকা বৃদ্ধি পাব বুলি নিৰ্দ্ধাৰণ কৰা হৈছে।

চলিত বছৰৰ বাজেট নিৰ্দ্ধাৰণতকৈ সংশোধিত নিৰ্দ্ধাৰণৰ শিতানত ৰাজহ হিচাপৰ ব্যয় ঘাইকৈ পৰিপূৰক মঞ্জুৰীৰ জৰিয়তে অতিৰিক্ত ধনৰ যোগান ধৰা, বান সাহায্য ব্যয়ৰ বাবে ধনৰ বিনিয়োজন আৰু সুদ পৰিশোধ আৰু দৰমহাৰ ক্ষেত্ৰত বাধ্যতামূলক ব্যয় আদিৰ বাবেই ৬৯·৪৩ কোটি টকা বৃদ্ধি পাব বুলি নিৰ্দ্ধাৰণ কৰা হৈছে। ফলত, ৰাজহ হিচাপত প্ৰকৃত ঘাটি ৬৩·৭৭ কোটি টকালৈ বৃদ্ধি পাব বুলি নিৰ্দ্ধাৰণ কৰা হৈছে।

ৰাজহ হিচাপৰ বাহিৰৰ লেন-দেনৰ ক্ষেত্ৰত ৫১·০১ কোটি টকাৰ এক উন্নতি আশা কৰা হৈছে। ই যোৱা বছৰৰ ৰাজহ হিচাপৰ বাহিৰৰ ঘাটি আংশিকভাবে পূৰণ কৰিব। অৱশ্যে ৰাজহ হিচাপৰ ঘাটি বৃদ্ধিৰ কথা ধৰিলে ১৯৮৭-৮৮ বছৰটোৰ চলিত হিচাপৰ সামগ্ৰিক লেন-দেনৰ ক্ষেত্ৰত প্ৰকৃত ঘাটি ১২·৭৬ কোটি টকা বৃদ্ধি পাব। মূল বাজেট নিৰ্দ্ধাৰণতকৈ চলিত বছৰৰ আৰম্ভণী উদ্বৃত্ত ১১৬·৮৭ কোটি টকাৰ ঘাটি বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত মুঠ ঘাটিৰ পৰিমাণ ১২৯·৬৩ কোটি টকা বৃদ্ধি হব। ইয়াৰ ফল স্বৰূপে আনুমানিক সামৰণি উদ্বৃত্ত ১৯৯·২১ কোটি টকা ঘাটিত ৰবগৈ।

**১৯৮৮-৮৯ চনৰ বাজেট**

২৫। ১৯৮৮-৮৯ চনৰ আগন্তুক বছৰৰ বাবে ৰাজহ আয় ধৰা হৈছে ১৩৪৪·১৮ কোটি টকা। ই চলিত বছৰৰ সংশোধিত নিৰ্দ্ধাৰণতকৈ ৮২·১০ কোটি টকাৰ উন্নতি সূচাইছে। ১৯৮৮-৮৯ চনৰ বাজেট নিৰ্দ্ধাৰণত ৰাজহ হিচাপৰ ব্যয় দেখুওৱা হৈছে ১৪০২·৩৭ কোটি টকা। ই চলিত বছৰৰ

সংশোধিত নিৰ্দ্ধাৰণতকৈ ৭৩·৩৫ কোটি টকাৰ বৃদ্ধি দেখুৱাইছে। ৰাজহ হিচাপৰ ১৯৮৮-৮৯ চনৰ লেনদেনৰ প্ৰকৃত ফলাফল হিচাপে ৫৮·১৯ কোটি টকা ঘাটি নিৰ্দ্ধাৰণ কৰা হৈছে। ই চলিত বছৰৰ সংশোধিত নিৰ্দ্ধাৰণতকৈ ৰাজহ হিচাপত ৮·৭৪ কোটি টকাৰ উন্নতি সূচাইছে। অৱশ্যে, ৰাজহ হিচাপৰ বাহিৰৰ সামগ্ৰিক লেনদেনৰ ক্ষেত্ৰত ১৪·৪০ কোটি টকা ৰাহি হ'ব বুলি নিৰ্দ্ধাৰণ কৰা হৈছে। ফলস্বৰূপে বছৰটোৰ ভিতৰত লেনদেনৰ প্ৰকৃত ফলাফলে ৪৩·৭৯ কোটি টকাৰ ঘাটি দেখুৱাব বুলি নিৰ্দ্ধাৰণ কৰা হৈছে। ১৯৯·২১ কোটি টকা ঘাটি আৰম্ভণী উদ্‌বৃত্ত হিচাপ কৰিলে ১৯৮৮-৮৯ চনৰ বছৰটো ২৪৩·০০ কোটি টকাৰ ঘাটিৰে সামৰণি পৰিব বুলি নিৰ্দ্ধাৰণ কৰা হৈছে ।

২৬। বৃহৎ পৰিমাণৰ বাজেট ঘাটি সঁচাকৈয়ে এক উদ্বেগৰ কাৰণ হৈ পৰিছে। কেইবছৰ মানৰ পৰা দেখা দিয়া পুঞ্জীভূত ঘাটিয়েই বৰ্ত্তমান অৱস্থাৰ মূল কাৰণ। প্ৰচুৰ অৰ্থ-বিনিয়োগত সৃষ্টি কৰা সা-সম্পত্তিসমূহৰ ৰক্ষণা-বেক্ষণত আহি পৰা অপৰিহাৰ্য্য দায়বদ্ধতা, আৱশ্যকীয় সেৱা সমূহ অব্যাহত ৰখা আৰু উন্নয়নমূলক কাম-কাজৰ সম্প্ৰসাৰণৰ কাৰণে অধিক ব্যয়ৰ প্ৰয়োজন হৈ পৰিছে। উল্লেখ কৰা নিষ্প্ৰয়োজন যে উন্নয়নৰ অনগ্ৰসৰতা দূৰ কৰাৰ উদ্দেশ্যে অৰ্থনৈতিক বিকাশ ক্ষিপ্ৰ কৰিবলৈ আৰু ৰাষ্ট্ৰীয় পৰ্য্যায়ত উপনীত হবলৈ আমাৰ সীমিত সম্পদ সত্বেও ব্যয়ৰ মাত্ৰা বঢ়োৱাটো অপৰিহাৰ্য্য। কিন্তু ব্যয় বৃদ্ধিৰ ফলত ঋণৰ বোজাও বাঢ়ি যায়। সেয়ে ব্যয়ৰ দিশত অধিক সতৰ্কতা অৱলম্বন কৰাটোও অপৰিহাৰ্য্য হৈ পৰিছে। লগতে পৰিকল্পনাভুক্ত আচঁনি সমূহ চলাই থকা আৰু উন্নয়নমুখী কাম-কাজ সন্দৰ্ভত ব্যৱহাৰ কৰিবৰ বাবে দুৰ্লভ সম্পদসমূহ সংৰক্ষণ কৰাৰ সৰ্বতোপ্ৰকাৰ প্ৰচেষ্টা চলোৱাৰো প্ৰয়োজন হৈছে। কেৱল সম্পদৰ দিশৰ পৰা চালে পৰিকল্পনা আৰু পৰিকল্পনা বহিৰ্ভূত ব্যয়ৰ মাজত কোনো প্ৰভেদ নাই। কিয়নো তৎকালীন বাজেট পৰিস্থিতিত উভয়ৰে প্ৰভাৱ একেই। তথাপি, অৰ্থনৈতিক উন্নয়নৰ গতি অব্যাহত ৰখাৰ বাবে ৰাজ্য চৰকাৰে কঠিন বিত্তীয় অৱস্থা সত্বেও পৰিকল্পনা বহিৰ্ভূত ব্যয় নিয়ন্ত্ৰণ আৰু হ্ৰাস কৰি পৰিকল্পনাবোৰ চলাই থকাৰ সিদ্ধান্ত লৈছে। কিন্তু পৰিকল্পনা বহিৰ্ভূত ব্যয় হ্ৰাস কৰাৰো এটা সীমা আছে। এই সীমা চেৰাই গলে বৰ্ত্তমানৰ সেৱা আৰু সা-সম্পত্তি সমূহৰ ওপৰত গুৰুতৰ আঘাত পৰাৰ আশংকা আছে। সেয়ে সম্পদ সমূহৰ ক্ষতি হোৱাৰ সম্ভাৱনীয়তা দূৰ কৰাত আমি মনোনিবেশ কৰিব লাগিব আৰু এনে সম্পদসমূহ যাতে অতি প্ৰয়োজনীয় কামতহে ব্যৱহাৰ হয় তাৰ বাবে আমি সচেষ্ট থাকিব লাগিব। উল্লেখযোগ্য যে সম্পদ আৰু ব্যয়ৰ ভাৰসাম্যহীনতাই আমাক অধিবিকৰ্ষলৈ (overdraft) ধাবিত কৰে । অধিবিকৰ্ষৰ ক্ষেত্ৰত বৰ্ত্তমানে থকা আৰ্থিক সীমাৰ লগতে অধিবিকৰ্ষৰ ধন পৰিশোধ কৰাৰ

বাবে ধাৰ্য্য কৰা সময় সীমা ৰাজ্যসমূহৰ বাস্তৱিক চাহিদাৰ ভিত্তিত নিৰ্দ্ধাৰণ কৰা হোৱা নাই আৰু ই ৰাজ্যসমূহে কৰিবলগীয়া লেনদেনৰ পৰিমাণৰ তুলনাত বহুত কম। মন কৰিবলগীয়া যে কেন্দ্ৰীয় চৰকাৰৰ ঘাটি বিত্তীয় ব্যৱস্থাৰ যি সুবিধা আছে ৰাজ্যসমূহৰ সেই সুবিধা নাই। সেয়ে অধিবিকৰ্ষৰ আৰ্থিক সীমা আৰু অধিবিকৰ্ষৰ ধন পৰিশোধৰ সময় সীমা এই দুয়োটা বিষয় পৰ্য্যালোচনা কৰি এই ক্ষেত্ৰত এক বহল দৃষ্টি-ভঙ্গী অৱলম্বন কৰিবলৈ আমি দাবী জনাই আছো । আমি আশা ৰাখিছো যে ভাৰত চৰকাৰে আমাৰ দাবীৰ ন্যায্যতা উপলব্ধি কৰিব আৰু জৰুৰী ভিত্তিত সেইমতে ব্যৱস্থা গ্ৰহণ কৰিব। আমি এইটোও আশা ৰাখিছো যে আমাৰ ৰাজ্যখনে সন্মুখীন হোৱা সমস্যা সমূহৰ গভীৰতা ভাৰত চৰকাৰে উপলব্ধি কৰিব আৰু অসমৰ প্ৰগতিৰ গতি যাতে মন্থৰ নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি সম্পদৰ বাবে কৰা আমাৰ দাবীৰ ক্ষেত্ৰত এক উদাৰ মনোভাৱ গ্ৰহণ কৰিব।

২৭। আৰু এসপ্তাহৰ পিছতেই আমি নতুন বিত্তীয় বছৰত ভৰি দিম। ৰাজ্যখনৰ সৰ্বাঙ্গীন উন্নয়নৰ বাবে বৰ্ত্তমানে চলি থকা আৰু নতুন কাৰ্য্য-সূচী সমূহ ৰূপায়ণ কৰিবলৈ নতুন উৎসাহেৰে আমি নতুন বিত্তীয় বছৰত প্ৰবেশ কৰিম। আমাৰ সন্মুখত থকা কাম-কাজৰ ক্ষেত্ৰত সকলোৰে সহযোগিতা আমাৰ কাম্য।

অধ্যক্ষ মহোদয়, এই খিনিকে কৈ মই ১৯৮৮-৮৯ চনৰ বাজেট আৰু ১৯৮৮ চনৰ এপ্ৰিলৰ পৰা জুনলৈকে এই তিনিমাহৰ লেখা-অনুদান (vote-on-account) সন্মানিত সদনৰ অনুমোদনৰ বাবে আগবঢ়ালো।

# পৰিশিষ্ট

( হাজাৰ টকাৰ হিচাপত )

| প্ৰকৃত ১৯৮৬-৮৭ | বাজেট প্ৰাক্কলন ১৯৮৭-৮৮ | সংশোধিত প্ৰাক্কলন ১৯৮৭-৮৮ | শিতান সমূহ | বাজেট প্ৰাক্কলন ১৯৮৮-৮৯ |
|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ |
| (—)১০৩,৯৬,৮৩ | (—) ৪৯,৬৬,৯২ | (—)১৬৬,৫৩,৪৯ | আৰম্ভণি হিচাপ | (—)১৯৯,২০,৮৯ |
| | | | **ক—প্ৰাপ্তি** | |
| ১২০৯,৯৫,৪৮ | ১২৫৩,৪২,৩৬ | ১২৬২,০৮,৬৮ | ৰাজহ প্ৰাপ্তি | ১৩৪৪,১৮,২৮ |
| ৪৮২,৪৪,২৯ | ১০২১,৯৯,২৮ | ১০৩১,৪৯,০১ | মূলধন প্ৰাপ্তি | ১১০৫,৯১,১৯ |
| ... | ২,০০,০০ | ৪,৩০,৭০ | আকস্মিক নিধিৰ প্ৰাপ্তি | ১০,০০ |
| ৫৬৭,৯৪,৪২ | ৬৯০,২০,০০ | ৮১১,২০,০০ | ৰাজহৱা হিচাপৰ অধীনৰ প্ৰাপ্তি | ৮১৭,২২,০০ |
| ২২৬০,৩৪,১৯ | ২৯৭০,৬১,৬৪ | ৩১০৯,০৮,৩৯ | মুঠ প্ৰাপ্তি | ৩২৬৭,৪১,৪৭ |
| ২১৫৬,৩৭,৩৬ | ২৯২০,৯৪,৭২ | ২৯৪২,৫৪,৯০ | সৰ্ব মুঠ | ৩০৬৮,২০,৫৮ |
| | | | **খ—ব্যয়** | |
| ১১৪৯,৩৬,২৩ | ১২৫৯,৫৯,০৮ | ১৩২৯,০২,১৬ | ৰাজহ শিতানত ব্যয় | ১৪০২,৩৭,৪৩ |
| ৫১৮,০৬,১৪ | ১০৫২,৮৪,৬২ | ১০৫৭,২৩,৬৩ | মূলধন ব্যয় | ১১২২,৯২,৬৬ |
| ৪২,৭১ | ... | ১০,০০ | আকস্মিক নিধিৰ ব্যয় | .. |
| ৬৫৫,০৫,৭৭ | ৬৭৮,০৯,০০ | ৭৫৫,৪০,০০ | ৰাজহৱা হিচাপত নিৰ্গত পৰিমাণ | ৭৮৫,৯০,৬৫ |
| ২৩২২,৯০,৮৫ | ২৯৯০,৫২,৭০ | ৩১৪১,৭৫,৭৯ | মুঠ ব্যয় | ৩৩১১,২০,৭৪ |
| (—)১৬৬,৫৩,৪৯ | (—) ৬৯,৫৭,৯৮ | (—)১৯৯,২০,৮৯ | সামৰণি হিচাপ | (—)২৪৩,০০,১৬ |
| ২১৫৬,৩৭,৩৬ | ২৯২০,৯৪,৭২ | ২৯৪২,৫৪,৯০ | সৰ্ব মুঠ | ৩০৬৮,২০,৫৮ |

## প্ৰকৃত ফলাফল

| | | | | |
|---|---|---|---|---|
| (+)৬০,৫৯,২৫ | (—) ৩,১৬,৭২ | (—) ৬৬,৯৩,৪৮ | ৰাজহ হিচাপ | (—) ৫৮,১৯,১৫ |
| (—)১২৩,১৫,৯১ | (—) ১৬,৭৪,৩৪ | (+) ৩৪,২৬,০৮ | ৰাজহ হিচাপৰ বাহিৰত | (+) ১৪,৩৯,৮৮ |
| (—) ৬২,৫৬,৬৬ | (—) ১৯,৯১,০৬ | (—) ৩২,৬৭,৪০ | প্ৰকৃত বাহি (+) / প্ৰকৃত ঘাটি (—) | (—) ৪৩,৭৯,২৭ |